**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ দ্বিতীয়        বিষয় ঃ ভাষা-১ (অসমীয়া)    তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➪ ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰত থকা উচ্চাৰণজনিত পঠন দুৰ্বলতা আঁতৰ হ'ব আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিব।

➪ ছাত্ৰ-ছাত্ৰীয়ে মুক্ত বৰ্ণ আৰু যুক্তবৰ্ণ (ৰূপসলনি হোৱা) সমূহৰ মাজত সাদৃশ্য আৰু পাৰ্থক্য বিচাৰি উলিয়াব পাৰিব আৰু যুক্তাক্ষৰৰ গাঁথনিক দিশৰ বিষয়ে বুজিব পাৰিব।

➪ সংলাপধৰ্মী পাঠ কথোপকথন শৈলীৰে পঢ়িবলৈ সমৰ্থ হ'ব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) চাফ-চিকুণতা | - | পাঠ নং ৯ |
| খ) বেলি আৰু বতাহ | - | পাঠ নং ১০ |
| গ) ৰান্ধনিঘৰৰ আলাপ | - | পাঠ নং ১১ |
| ঘ) আমাৰ দিৱস | - | পাঠ নং ১২ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। পঠন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পিছপৰি থকাৰ পৰিপ্ৰেক্ষিতত এই সমল সামগ্ৰী যুগুতাই উলিওৱাৰ প্ৰয়াস কৰা হৈছে।

বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰৰ গাঁথনিক দিশটো চিনিব আৰু বুজিব নোৱাৰে, তেওঁলোকৰ শুদ্ধ উচ্চাৰণত আউল লাগে, আখৰ জোঁটাই পঢ়িব নাজানে। সুৰ লহৰ, শ্বাসাঘাত আৰু যতি চিহ্নৰ দৰে পঠনৰ প্ৰয়োজনীয় উপাদানসমূহৰ সঠিক ব্যৱহাৰ কৰি পঢ়িব নজনাৰ বাবে পঠনৰ জৰিয়তে হ'ব পৰা অৰ্থবোধ যথাৰ্থ ৰূপত নহয়।

ইতিমধ্যে দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় সাময়িকীত ২৬ টা যুক্তাক্ষৰৰ ভিতৰত পঠন দুৰ্বলতা অনুসৰি বিভিন্ন ক্ৰিয়া-কলাপৰ সহায়ত যুক্তাক্ষৰসমূহ শিকাৰ সুযোগ পাইছে বুলি ভাব হৈছে। যুক্তাক্ষৰ শিকাৰ অনুশীলন এই সাময়িকীত অব্যাহত থাকিব। বিশেষকৈ আকৃতিজনিত আৰু উচ্চাৰণজনিত পঠন দুৰ্বলতাসমূহ আঁতৰাবলৈ যুক্তাক্ষৰৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে। যুক্তাক্ষৰৰ বাহিৰেও সুৰলহৰ, শ্বাসাঘাত আৰু যতি চিহ্নৰ সঠিক প্ৰয়োগ কৰি সংলাপধৰ্মী পাঠ এটা পঢ়াৰ শৈলীৰ অনুশীলন এই সামগ্ৰীৰ জৰিয়তে দাঙি ধৰিবলৈ বিচৰা হৈছে। শুনা আৰু তাৎক্ষনিক সঁহাৰি জনাই কোৱা কথোপকথন শৈলীৰ মান উন্নয়ন কৰাত গুৰুত্ব দিয়া হৈছে। পাঠ নং ৯ ত থকা ছবিৰে পাঠ আৰু পাঠ নং ১১ ত থকা 'ৰান্ধনি ঘৰৰ আলাপ' পদ্যটি পঠন আৰু পঠনবোধৰ বাবে ঘাইকৈ পৰ্যৱেক্ষণ কৌশল আৰু আবৃত্তি কৰা কৌশল প্ৰয়োজনীয় বুলি পাঠ্যপুথিত নিৰ্দেশিত হোৱাৰ বাবে সেই সম্পৰ্কে এই সমল সামগ্ৰীত বিশেষ অন্তৰ্ভূক্তীকৰণৰ প্ৰয়োজন অনুভৱ কৰা নহ'ল।

ভাষা শিকনৰ কৌশলসমূহৰ ওপৰত দক্ষতা আহৰণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত ক্ৰিয়া অনুশীলনৰ প্ৰয়োজন। পঠন কৌশলো ইয়াৰ ব্যতিক্ৰম নহয়। পঠন দক্ষতা আহৰণৰ ক্ষেত্ৰত বৰ্তমানৰ শ্ৰেণীকোঠাত বহুলভাৱে প্ৰচলিত 'হাতে কামে কৰি শিকা'ৰ আধাৰত দুৰ্বল শিক্ষাৰ্থীৰ শিকন সম্পূৰ্ণ কৰি তুলিবলৈ আমি এই গোটটোৰ যোগেদি সুবিধা পাম।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —**

➪ যিকোনো এটা বিষয় শিকিবলৈ হ'লে পঠন দক্ষতাৰ অতি প্ৰয়োজন। পঠন দুৰ্বলতাসমূহ আঁতৰাই পঠন দক্ষতা আহৰণৰ অৰ্থে প্ৰয়োজনীয় ক্ৰিয়া-কলাপৰ অনুশীলন কৰিব পাৰিব।

⇨ ধ্বনি উচ্চাৰণৰ প্ৰকৃতি, আখৰৰ আকৃতি, যুক্তাক্ষৰৰ গাঁথনিক দিশ, আখৰ জোঁটনিৰ ধাৰণা আৰু অনুশীলনৰ যোগেদি পঠন দক্ষতা আহৰণ কৰিব পাৰিব।

⇨ শ্বাসাঘাত, সুৰলহৰ, যতি চিহ্ন, পঠনৰ বেগ আদিৰ সঠিক ব্যৱহাৰৰ যোগেদি পঠন কৌশল আহৰণ কৰিব আৰু পঠনবোধ যথাৰ্থ ৰূপত হ'ব।

⇨ কথোপকথন শৈলীৰ অনুশীলনৰ যোগেদি সংলাপধৰ্মী পাঠ পঢ়িব পাৰিব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

এই সমল সামগ্ৰীটো অধ্যয়নৰ যোগেদি শিক্ষক হিচাপে আমি ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশল বিকাশৰ বাবে -

⇨ প্ৰয়োজনীয় ক্ৰিয়া-কলাপৰ সৈতে ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম।

⇨ পঠনৰ এটি অনুকূল পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ পঠন বোধৰ বাবে বিষয়বস্তুৰ অনুসন্ধান আৰু ব্যাখ্যা কৰাৰ সুযোগ-সুবিধা দিব পাৰিম।

⇨ শিকনীয় বিষয়ৰ বিস্তৃত জ্ঞান লাভৰ সুযোগ দিব পাৰিম।

⇨ অভ্যাস অনুশীলনীৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতা সমূহ দূৰ কৰিব পাৰিম।

⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনীমূলক চিন্তা-প্ৰসূত ক্ৰিয়া-কলাপৰ অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰি তুলিব পাৰিম।

**পঠন কৌশল বিকাশৰ সামগ্ৰী তথা ব্যৱস্থাৱলী —**

⇨ পঠনৰ বাবে — বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড, মোবাইল, ফ্লানেল বোৰ্ড, প'কেট বোৰ্ড।

⇨ ৰূপ সলনি হোৱা যুক্তাক্ষৰৰ পাৰ্থক্য জনাৰ বাবে — যুক্তাক্ষৰ কাৰ্ড - শ্চ, ক্ত, ক্ৰ, ত্ত।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) উচ্চাৰণজনিত জটিলতা থকা দুটা বৰ্ণৰ যোগ কৰিব পৰা (শ্চ, হ্য) | বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড, টেপৰেকৰ্ডাৰ, মোবাইল, ফ্লানেল, পকেট বোৰ্ড | দলগত পৰ্যৱেক্ষণ, গাইগুটীয়া কাৰ্য | তলত দিয়া যুক্তাক্ষৰযুক্ত শব্দকেইটা পঢ়া— নিশ্চয়, সহ্য, পশ্চিম, দাহ্য | অ বি ৰ ত আ ৰু সা ম গ্ৰি ক মূ ল্যা য় ন |
| খ) ৰূপসলনিজনিত জটিলতা থকা দুটা বৰ্ণৰ যোগ কৰিব পৰা(ক্ত, ক্ৰ, ত্ত) | বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড, পকেট বোৰ্ড, টেপৰেকৰ্ডাৰ | দলগত পৰ্যৱেক্ষণ আৰু ব্যক্তিগত কাৰ্য | তলৰ যুক্তাক্ষৰত কোনকেইটা বৰ্ণৰ ৰূপ সলনি হৈছে? স্ব, ক্ৰ, শ্চ, হ্য। | |
| গ) ৰূপ আৰু উচ্চাৰণ জনিত জটিলতা থকা দুটা বৰ্ণৰ যোগ (স্ব, ষ্ক) | বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড, পকেট বোৰ্ড, টেপৰেকৰ্ডাৰ | দলগত পৰ্যৱেক্ষণ আৰু ব্যক্তিগত কাৰ্য | তলৰ যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি দুটাকৈ শব্দ কোৱা (স্ব, ষ্ক)<br>যুক্তাক্ষৰ ভাঙি দেখুওৱা (স্ব, ষ্ক) | |
| ঘ) শব্দ গঠন কৰিব পৰা | বৰ্ণ তালিকা,<br>যুক্তাক্ষৰ পঠনৰ শব্দ তালিকা (অমিত চৌধুৰীৰ ক্ৰিয়া-কলাপৰ ভিত্তিত) | দলগত কাৰ্য<br>স্ব শিকন | তলৰ তালিকাত থকা বৰ্ণৰে যুক্তবৰ্ণ গঠন কৰি তালিকাৰ খালী ঠাই পূৰ কৰা।<br>শ + চ = ☐, ক + ৰ = ☐, ক + ত = ☐ | |
| ঙ) ভাব অনুসৰি বাক্য পঢ়িব পৰা | পাঠ্যপুথিৰ পৰা তৈয়াৰী বাক্য চাৰ্ট | শিক্ষকৰ জৰিয়তে আদান-প্ৰদান | তলৰ বাক্যবোৰ পঢ়া।<br>অ' অ', তুমি ঠিকেই কৈছা।<br>তুমি ক'লৈই হ'বনে?<br>(৮২ নং পৃষ্ঠাৰ দফা) | |
| চ) পঠন কোণৰ জৰিয়তে পঠন পৰিৱেশ সৃষ্টি কৰিব পৰা | যুক্তাক্ষৰ স্কেলৰ ব্যৱহাৰ, যুক্তাক্ষৰ চকৰি | দলগত কাৰ্য | | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

দ্বিতীয় শ্ৰেণীৰ (অসমীয়া ভাষাৰ) শিক্ষক হিচাপে অমিত চৌধুৰীয়ে বুজি পাইছে যে, আখৰ চিনি নোপোৱা আৰু জোঁটাই পঢ়িব নোৱাৰাকৈ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী প্ৰথম শ্ৰেণীৰ পৰা দ্বিতীয় শ্ৰেণীলৈ উত্তীৰ্ণ হৈ আহে। সেই দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে যুক্তাক্ষৰ শুদ্ধকৈ শিকা কঠিন হৈ পৰে। সেয়ে তেখেতে দ্বিতীয় সাময়িকীত মুঠ ২৬ টা যুক্তাক্ষৰৰ ভিতৰত জটিলতাৰ ক্ৰমত বাছি লৈ ৭ টা যুক্তাক্ষৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন ক্ৰিয়া-কলাপত জড়িত কৰি শিকালে আৰু তাৰ এটি সুফল পোৱাৰ বাবে তেখেতে তৃতীয় সাময়িকীৰ বাবে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰিবলৈ চিন্তা কৰিলে।

যুক্তাক্ষৰবোৰৰ উচ্চাৰণজনিত জটিলতা আৰু ৰূপ সলনিৰ পিছত বৰ্ণসমূহ চিনি উলিওৱাৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি অমিত চৌধুৰীয়ে ভাষা শিক্ষণৰ বিভিন্ন প্ৰশিক্ষণত পোৱা অভিজ্ঞতা আৰু দ্বিতীয় সাময়িকীত লোৱা কাৰ্যব্যৱস্থাৰ আলমত শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক কেনেধৰণৰ ক্ৰিয়া-কলাপত জড়িত কৰালে আৰু কেনেধৰণৰ কাৰ্য পৰিকল্পনাৰে আগবাঢ়িল চাওঁ আহক —

**প্ৰস্তুতি ঃ**

ক) অমিত চৌধুৰীয়ে তৃতীয় সাময়িকীত থকা মুঠ ৪ টা পাঠৰ ২২ টা শিকনীয় যুক্তাক্ষৰৰ পৰা জটিলতাৰ ক্ৰম ৰাখি মুঠ ৮ টা যুক্তাক্ষৰ বাছি উলিয়ালে আৰু সেইবোৰক ৰূপগত প্ৰকৃতি অনুসৰি তালিকাত সজাই ল'লে —

| যুক্তাক্ষৰৰ প্ৰকৃতি | পাঠত থকা যুক্তাক্ষৰ | পাঠ নং | পৃষ্ঠা নং |
|---|---|---|---|
| দুটা বৰ্ণৰ যোগ (উচ্চাৰণজনিত জটিলতা) | শ্চ, হ্য | ০৯ | ৭৯ |
| দুটা বৰ্ণৰ যোগ (আকৃতি/ৰূপসলনিজনিত জটিলতা) | ক্ত, ক্ৰ, ট্ট, ত্ত | ১০,১১ | ৯০, ৯৬ |
| দুটা বৰ্ণৰ যোগ (ৰূপ আৰু উচ্চাৰণজনিত জটিলতা) | স্ব, ষ্ক | ০৯ | ৭৮, ৭৯ |

খ) তেখেতে ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰিব পৰাকৈ তলত দিয়া ধৰণে শিকন সামগ্ৰী তৈয়াৰ কৰি ল'লে —

তালিকাত দিয়া অনুসৰি তিনিধৰণৰ যুক্তাক্ষৰ কাৰ্ড (ভঙা আৰু পাতিব পৰা), ফ্লানেল আৰু পকেট ব'ৰ্ড

যুক্তাক্ষৰ স্কেল

| | | | |
|---|---|---|---|
| শ + চ = শ্চ | ক + ত = ক্ত | ট + ট = ট্ট | স + ব = স্ব |
| হ + য় = হ্য | ক + ৰ = ক্ৰ | ত + ত = ত্ত | ষ + ক = ষ্ক |

(চেপেটা কাঠ বা বাঁহেৰে সজা চকৰি, যাক আঁচ টানিবলৈ ব্যৱহাৰ কৰিব পাৰি)

যুক্তাক্ষৰ চকৰি।



বৰ্ণতালিকা (বৰ্ণৰ সহায়ত যুক্তাক্ষৰ গঠন)

| | | | | |
|---|---|---|---|---|
| শ | ক | | | |
| হ | ত | চ | ক | স |
| | ট | | ্ৰ | ৰ |
| | ষ | য় | | |

মাত্ৰাযুক্ত আৰু যুক্তাক্ষৰযুক্ত শব্দ গঠনৰ তালিকা

| | | | |
|---|---|---|---|
| ভা | নি | স্ব | য় |
| শ্চ | হ্য | স | ৰ |
| চ | ্ৰ | ক্ত | ঠা |
| ত্ৰু | বি | ট্ৰা | ত্ত |

যুক্তাক্ষৰযুক্ত বাক্য কাৰ্ড
টেপৰেকৰ্ডাৰ, মোবাইল

এইধৰণৰ কাৰ্য প্ৰস্তুতিৰ পিছত অমিত চৌধুৰীয়ে কেনেধৰণৰ ক্ৰিয়া-কলাপৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ শিকন দুৰ্বলতা আঁতৰাবলৈ চেষ্টা কৰিলে তাৰ নমুনা আৰু নিৰ্দেশনালৈ চাওঁ আহক —

**ক্ৰিয়া-কলাপ ঃ**

⇨ অমিত চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক দলত ভগাই লৈ প্ৰতিটো দলকে যুক্তাক্ষৰ কাৰ্ডবোৰ পৰ্যৱেক্ষণ কৰিবলৈ দিছিল।

⇨ পৰ্যৱেক্ষণৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক এখন এখনকৈ কাৰ্ড নি যথাস্থানত ৰখা ফ্লানেল অথবা পকেট ব'ৰ্ডত লগাবলৈ দিছিল আৰু প্ৰতিখন কাৰ্ড পঢ়িবলৈ দিছিল। শুদ্ধ উচ্চাৰণৰে অনুশীলন কৰাত টেপৰেকৰ্ডাৰ, মোবাইল আৰু ওজা ছাত্ৰৰ সহায় লৈছিল।

⇨ ফ্লানেল অথবা পকেট বোৰ্ডত বৰ্ণ আৰু যুক্তাক্ষৰৰ কাৰ্ডসমূহৰ ব্যৱহাৰ যুক্তাক্ষৰ ভঙা আৰু পতাৰ খেল খেলিবলৈ দিছিল।

⇨ আখৰ জোঁটাই পঢ়িব পৰাকৈ পৰ্যাপ্ত অনুশীলন কৰাইছিল (যুক্তাক্ষৰযুক্ত বাক্য কাৰ্ডৰ সহায়ত)। কোনে কিমান শুদ্ধ উচ্চাৰণেৰে জোঁটাই পঢ়িব পাৰে তাৰ প্ৰতিযোগিতাৰ বাবে উৎসাহ যোগাইছিল।

⇨ সমস্বৰে আওৰাবলৈ নিৰ্দেশনা দিছিল, যাতে ছাত্ৰ-ছাত্ৰীৰ আনন্দ লাভৰ লগতে উচ্চাৰণ শুদ্ধ হয়।

⇨ বৰ্ণ তালিকা আৰু যুক্ত বৰ্ণৰ তালিকাৰ সহায়ত পাঠত থকা যুক্তাক্ষৰবোৰ গঠনৰ অনুশীলন কৰাইছিল আৰু তাৰ আলমত নতুন নতুন শব্দ গঠনৰ বাবে উৎসাহ যোগাইছিল।

এনেধৰণৰ ক্ৰিয়া-কলাপৰ অনুশীলন কৰাৰ উপৰি অমিত চৌধুৰীয়ে শ্ৰেণীকোঠাত পঠনৰ অনুকুল আৰু আমোদজনক পৰিৱেশ গঢ়ি তুলিবলৈ শ্ৰেণীকোঠাত 'পঠন কোণ' (Reading Corner) তৈয়াৰ কৰিছিল। যুক্তাক্ষৰ চকৰি, যুক্তাক্ষৰ চাৰ্ট শ্ৰেণীকোঠাৰ এচুকত ওলোমাই ৰাখিছিল আৰু যুক্তাক্ষৰ স্কেল ব্যৱহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক নমুনা দেখুৱাই উৎসাহিত কৰিছিল যাতে শিকাৰুৱে ইয়াক পঠনৰ এক আহিলা হিচাপে গ্ৰহণ কৰে। তেখেতে শ্ৰেণীত কাণেৰে কম শুনা ছাত্ৰীগৰাকীৰ প্ৰতি বিশেষ মনোযোগ দিছিল। যাতে ছাত্ৰীগৰাকীয়ে উচ্চাৰণ কৰাত অসুবিধা নাপায়।

***বিঃদ্ৰঃ - অমিত চৌধুৰী ছাৰে শ্ৰেণী কোঠাত থকা চকুৰে কম দেখা ছাত্ৰীজনীৰ বিশেষভাৱে যত্ন লৈছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

অমিত চৌধুৰীয়ে কৰা ক্ৰিয়া-কলাপৰ অনুশীলন আৰু পৰিকল্পনাৰ আঁত ধৰি ভাবি চাওঁচোন —

⇨ অমিত চৌধুৰীয়ে যুক্তাক্ষৰ শিকাওঁতে উচ্চাৰণ আৰু আকৃতিজনিত জটিলতাসমূহ বাছি উলিওৱাটো যুক্তিসংগত হৈছে বুলি আপুনি ভাবেনে?

- ⇨ চৌধুৰীয়ে কৰা ক্ৰিয়া-কলাপসমূহ পঠন দক্ষতা আহৰণত যথাৰ্থ হৈছে বুলি আপুনি ভাবেনে?
- ⇨ 'পঠন কোণ' (Reading Corner) গঢ়ি তুলিবলৈ আপুনি আৰু কি কি কাম কৰিব পাৰিব? ইয়াৰ প্ৰয়োজনীয়তা আছে বুলি ভাবেনে?
- ⇨ পৰিৱেশ সৃষ্টি আৰু পঠন আনন্দদায়ক কৰিবলৈ আমিও উদ্ভাৱনীমূলক কাৰ্য কৰিব নোৱাৰো নেকি?

**সাৰাংশ ঃ**

- ⇨ যুক্তাক্ষৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতাসমূহ দূৰ কৰিবলৈ যথেষ্ট ক্ৰিয়া-কলাপৰ প্ৰয়োজন। শিক্ষকৰ আদৰ্শ পঠন , শিকাৰুৰ সমস্বৰ পঠন আৰু আমোদজনক ক্ৰিয়া-কলাপৰ আয়োজন আৰু প্ৰচুৰ অনুশীলনেহে এনে পঠন দক্ষতাৰ বিকাশ সাধন কৰে।
- ⇨ যুক্তাক্ষৰবোৰ শিকনত জটিলতাসমূহ কেনেকৈ আঁতৰ কৰিব পাৰি তাৰ ধাৰণা পোৱা গ'ল (উচ্চাৰণ আৰু ৰূপসলনি হোৱাৰ ক্ষেত্ৰত)।
- ⇨ সংলাপধৰ্মী পাঠৰ পঠন দক্ষতা আহৰণৰ কাৰণে কথোপকথন শৈলীৰ লগত পঠনবোধত অভিনয় কৌশল প্ৰয়োগ প্ৰয়োজনীয়তাৰ এটি ধাৰণা পোৱা গ'ল।
- ⇨ পঠন বেগ বৃদ্ধিৰ লগতে মনোযোগ বঢ়োৱা ক্ৰিয়া-কলাপৰ যোগেদি পঠনবোধত সহায় কৰিব পাৰি।
- ⇨ 'পঠন কোণ ' (Reading corner) ৰ যোগেদি পঠন পৰিৱেশ গঢ়ি তোলাৰ লগতে পঠন আনন্দদায়ক কৰি তুলিব পাৰি।

**দৃঢ়ীকৰণ ঃ**

ক) তলত দিয়া যুক্তাক্ষৰবোৰেৰে দুটাকৈ শব্দ লিখা ।

শ্চ =

স্ব =

ষ্ক =

ত্ৰ =

ক্ত =

খ) তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙা আৰু পঢ়া।

ষ্ক, ক্ত, ট্ট, ত্ত, স্ব।

গ) তলৰ বাক্যকেইটা পঢ়া।

—উস! বতাহজাক ইমান জোৰেৰে বলিছে. এৰী চাদৰখন ভালকৈ গাত মেৰিয়াই লওঁ।

—তুমি ক'লৈই হ'বনে?মোৰহে বল বেছি।

—তেনেহ'লে আমি আমাৰ কাম আৰম্ভ কৰোঁহক?

ঘ) তলত দিয়া যুক্তাক্ষৰযুক্ত শব্দ কেইটা পঢ়া।

নিশ্চয়, সহ্য, পশ্চিম, দাহ্য

ঙ) তলৰ তালিকাত থকা বৰ্ণৰে যুক্তবৰ্ণ গঠন কৰি তালিকাৰ খালী ঠাই পূৰ কৰা।

শ + চ = ☐ ,   ক + ৰ = ☐ ,   ক + ত = ☐

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

ক) য়-কাৰ যোগ কৰা তিনিটা শব্দ লিখা।

খ) যুক্তাক্ষৰবোৰত কোনকেইটা বৰ্ণ উচ্চাৰণ সলনি হৈছে কোৱা।

স্ক, ষ্ক, শ্চ, ক্ত, ক্ৰ, হ্য

গ) তলৰ কোনকেইটা যুক্তাক্ষৰত বৰ্ণৰ আকৃতি বেছিকৈ সলনি হৈছে বাছি উলিওৱা ।

স + ৱ = স্ব　　হ + য় = হ্য　　ক + ৰ = ক্র

ষ + ক = ষ্ক　　ক + ত = ক্ত

ঘ) তলৰ বাক্যবোৰ পঢ়া ।

অ' অ', তুমি ঠিকেই কৈছা।

তুমি ক'লৈই হ'বনে?

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি অংকুৰণ - দ্বিতীয় ভাগ

⇨ ধ্বনি বিজ্ঞানৰ ভূমিকা - ড গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া ভাষাৰ উচ্চাৰণ।

⇨ চন্দ্ৰকান্ত আৰু হেমকোষ অভিধান।

⇨ ৱেবচাইট ঃ www.nift. gov/partnershipforreading, www.ookaisland.com

***